# অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ (এজবেক)
# ASSAM JATIYA BIDYALAY EDUCATION COUNCIL (AJBEC)

নুনমাটি, গুৱাহাটী-৭৮১০২০, অসম
Noonmati, Guwahati-781020, Assam

Ph. : 0361-2654229, 9864202080, e-mail : ajbecghy@gmail.com, website : www.ajbec.com


প্ৰসংগ ঃ এজবেক/০৪/০৬/২০২৪-২৫ তাৰিখ ঃ ১১-০১-২০২৫
Ref : Date :

## অসম জাতীয় বিদ্যালয়ত ‘আন্তঃ জাতীয় বিদ্যালয় তৰ্ক প্ৰতিযোগিতা’ৰ আয়োজন

**গুৱাহাটী, ১১ জানুৱাৰী, ২০২৫ :** অসম জাতীয় বিদ্যালয়ত অহা ২৭ জানুৱাৰী, ২০২৫ তাৰিখে আন্তঃ জাতীয় বিদ্যালয় তৰ্ক প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। প্ৰতিযোগিতাখনিৰ নিয়মাৱলী এনে ধৰণৰ—

১। আন্তঃ জাতীয় বিদ্যালয় তৰ্কৰ মূল প্ৰতিযোগিতাখন অহা ২৭ জানুৱাৰী, ২০২৫ তাৰিখে অসম জাতীয় বিদ্যালয়ত অনুষ্ঠিত হ’ব। এই প্ৰতিযোগিতাত জিলা পৰ্য্যায়ত হ’বলগীয়া প্ৰাৰম্ভিক প্ৰতিযোগিতাত নিৰ্বাচিত প্ৰতিযোগীয়েহে অংশগ্ৰহণ কৰিব পাৰিব।

২। আন্তঃ জাতীয় বিদ্যালয় তৰ্কৰ প্ৰাৰম্ভিক প্ৰতিযোগিতা জিলা পৰ্য্যায়ত অনুষ্ঠিত হ’ব। অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ অন্তৰ্গত বিদ্যালয়সমূহৰ অষ্টম শ্ৰেণীৰ পৰা দশম শ্ৰেণীৰ শিক্ষাৰ্থীয়ে জিলা পৰ্য্যায়ত হ’বলগীয়া প্ৰাৰম্ভিক প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব পাৰিব।

৩। জিলা পৰ্য্যায়ত হ’বলগীয়া প্ৰাৰম্ভিক প্ৰতিযোগিতা জাতীয় বিদ্যালয় জিলা সমন্বয়ৰক্ষী সমিতিৰ উদ্যোগত অনুষ্ঠিত হ’ব। এই সমিতিয়ে জিলা পৰ্য্যায়ত প্ৰতিযোগিতা অনুষ্ঠিত কৰি অহা ২১ জানুৱাৰী, ২০২৫ তাৰিখৰ ভিতৰত প্ৰতিখন জিলাৰ পৰা দুগৰাকীকৈ নিৰ্বাচিত প্ৰতিযোগীৰ নাম পঠিয়াব লাগিব। প্ৰতিযোগীসকলৰ নাম বিদ্যালয়ৰ ই-মেইল ajbecghy@gmail.com অথবা ৯১০১০১৬৮৫৩ নম্বৰত হোৱাট্‌ছএপযোগে পঠাব লাগিব। মূল প্ৰতিযোগিতাত জিলা পৰ্য্যায়ত নিৰ্বাচিত হৈ অহা প্ৰতিযোগী দুগৰাকীৰ এগৰাকীয়ে সপক্ষে আৰু আন গৰাকীয়ে বিপক্ষে বক্তব্য আগবঢ়াব।

৪। জিলা পৰ্য্যায়ত হ’বলগীয়া প্ৰাৰম্ভিক প্ৰতিযোগিতাৰ বাবে তৰ্কৰ বিষয় জিলা সমন্বয়ৰক্ষী সমিতিয়ে নিজে নিৰ্দ্ধাৰণ কৰি দিব।

৫। প্ৰতিযোগীসকলে মূল প্ৰতিযোগিতাৰ বাবে কোনো ভৰ্তি মাচুল দিব নালাগে।

৬। কোনো জিলা সমন্বয়ৰক্ষী সমিতিয়ে প্ৰাৰম্ভিক প্ৰতিযোগিতা পাতি প্ৰতিযোগী পঠিয়াবলৈ অপাৰগ হ’লে ২২ জানুৱাৰী, ২০২৫ তাৰিখৰ ভিতৰত কাৰণসহ জনাব লাগিব।

৭। মূল প্ৰতিযোগিতাত অংশগ্ৰহণৰ বাবে অহা প্ৰতিগৰাকী প্ৰতিযোগীৰ লগত একোগৰাকী তত্ত্বাৱধায়ক অহাটো বাধ্যতামূলক।

৮। দূৰণিবটীয়া জিলাসমূহৰ পৰা অহা নিৰ্বাচিত প্ৰতিযোগী দুগৰাকী আৰু তেওঁলোকৰ লগত অহা তত্ত্বাৱধায়ক দুগৰাকীৰ অহা-যোৱাৰ খৰচ বহন কৰাৰ লগতে ৰাতি থকা-খোৱাৰ ব্যৱস্থা কৰা হ’ব। ৰাতি থাকিব খোজাসকলে আগতীয়াকৈ যোগাযোগ কৰিব লাগিব। যোগাযোগৰ নম্বৰ ৯১০১০১৬৮৫৩।

৯। ২৭ জানুৱাৰী, ২০২৫ তাৰিখে হ’বলগীয়া মূল প্ৰতিযোগিতা সম্পৰ্কে পৰৱৰ্তী সময়ত বিস্তৃতভাৱে জনোৱা হ’ব।

(ডা° নাৰায়ণ শৰ্মা)
সচিব
অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ

(ঘনশ্যাম মেধি)
অধ্যক্ষ
অসম জাতীয় বিদ্যালয়